# ৰামবল্লভ তিৱেৰালা

## বনাম্

## দ্বাৰকাদাস আৰু কোম্পানী

১৯৬৫ চনৰ ৩১ আগষ্ট

**[ ন্যায়মূৰ্ত্তী কে. সুব্বা ৰাও, ন্যায়মূৰ্ত্তী জে. আৰ. মুধলকাৰ আৰু ন্যায়মূৰ্ত্তী আৰ. এছ. বাচাৱাট ]**

মধ্যস্থতা আইন (১৯৪০ চনৰ ১০), ধাৰা ২০ৰ পৰিসৰ।

আপীলকাৰীয়ে বিপৰীত পক্ষৰ বিৰুদ্ধে ধনৰ হুকুমনামা দাবী কৰি গোচৰ দাখিল কৰাৰ পিছত পক্ষসমূহে বিবাদসমূহ মধ্যস্থতাৰ জৰিয়তে সমাধান কৰিবলৈ চুক্তিবদ্ধ হয়। চুক্তিখনত গোচৰ প্ৰত্যাহাৰ কৰাৰ ব্যৱস্থা আছিল আৰু চুক্তিৰ তাৰিখৰ সৈতে বা প্ৰায় একে তাৰিখতে গোচৰ প্ৰত্যাহাৰ কৰা হৈছিল। তাৰ মাজতে মধ্যস্থতাকাৰী সলনি হৈছিল, আৰু সময়ো বৃদ্ধি কৰা হৈছিল, কিন্তু কোনো ৰায় দিয়া হোৱা নাছিল। সেয়েহে, আপীলকাৰীয়ে মধ্যস্থতা আইন, ১৯৪০ৰ ধাৰা ২০ৰ অধীনত চুক্তি দাখিলৰ বাবে আদালতত আবেদন কৰিছিল, কিন্তু আদালতে এই ধাৰা প্ৰযোজ্য নহয় বুলি আবেদন নাকচ কৰে।

আবেদন সন্দৰ্ভত এই আদালতে,

<u>**মত পোষণ কৰে**</u>: ধাৰা ২০ ৰ অন্য অংশবোৰৰ আধাৰত ইয়াৰ শিৰোনামা, আৰু আইনখনৰ সাধাৰণ আঁচনি অনুসৰি, "চুক্তিখনৰ বিষয়বস্তু বা ইয়াৰ যিকোনো অংশৰ সন্দৰ্ভত কোনো গোচৰ ৰুজু হোৱাৰ আগতে" শব্দাৱলীৰ অৰ্থ হ'ল, "যদিও চুক্তিখনৰ বিষয়বস্তুৰ ওপৰত কোনো গোচৰ বা ইয়াৰ যিকোনো অংশৰ ওপৰত কোনো গোচৰ বাকী আছে"; আৰু ইয়াৰ এইটো অৰ্থ নহয় যে "য'ত কোনো গোচৰ ৰুজু কৰা হোৱা নাই"। গতিকে ইয়াৰ বিষয়বস্তুৰ সন্দৰ্ভত

কোনো গোচৰ চলি থকাৰ সময়ত কৰা মধ্যস্থতাৰ চুক্তিত এই ধাৰা প্ৰযোজ্য নহয়। [৬৯১ ছ-জ; ৬৯২ ঝ; ৬৯৩ ক-খ]

যিহেতু বৰ্তমানৰ গোচৰটোত চুক্তিখনৰ সঠিক ব্যাখ্যা কৰিলে গোচৰটো প্ৰত্যাহাৰ কৰাটো অপৰিহাৰ্য চৰ্ত আছিল, গতিকে উক্ত চৰ্ত পূৰণ হোৱাৰ পিছতহে চুক্তিখন কাৰ্যকৰী হ'ব। এইদৰে মধ্যস্থতা চুক্তিখনৰ ফলপ্ৰসূতা তেতিয়াই অস্তিত্বলৈ আহিছিল যেতিয়া গোচৰটো প্ৰত্যাহাৰ কৰা হৈছিল আৰু সেয়েহে সঠিকভাৱে ক'ব পাৰি যে ইয়াৰ বিষয়বস্তুৰ সন্দৰ্ভত কোনো গোচৰ বিচাৰাধীন নথকাৰ সময়ত কৰা হৈছিল। গতিকে চুক্তিখন ধাৰা ২০ৰ অধীনত দাখিল কৰিব পাৰিব। [৬৯৪ ক-গ]।

**দেৱানী আপীল ক্ষেত্ৰাধিকাৰ:** ১৯৬৫ চনৰ দেৱানী আপীল নং ৪৬০।

বম্বে উচ্চ ন্যায়ালয়ৰ ১৯৬০ চনৰ ৫৮ নং আপীল সন্দৰ্ভত ১৯৬৪ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখৰ ৰায় আৰু আদেশৰ ওপৰত বিশেষ অনুমতিৰ জৰিয়তে আপীল।

পি. আৰ. মৃদুল, জি. এল. সাংঘী, জে. বি. দাদাচাঞ্জী, অ'. চি. মাথুৰ আৰু ৰবিন্দৰ নাৰায়ন আপীলকাৰীৰ হৈ।

এ. ভি. বিশ্বনাথ শাস্ত্ৰী, ডি. আৰ. ধনুকা, বি. আৰ. আগৰৱালা আৰু এইচ. কে. পুৰী, বিপৰীত পক্ষৰ বাবে।

আদালতৰ ৰায় প্ৰদান কৰে

**ন্যায়মূৰ্তী বাচাৱট:** এই আবেদনে ভাৰতীয় মধ্যস্থতা আইন ১৯৪০ চনৰ ধাৰা ২০ৰ গঠন সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰিছে। আপীলকাৰীয়ে বম্বে উচ্চ ন্যায়ালয়ত ১৯৪৯ চনৰ গোচৰ নং ১৭১২ ৰুজু কৰি বিপৰীত পক্ষৰ বিৰুদ্ধে ধনৰ বাবে হুকুমনামা দাবী কৰিছিল এইবুলি যে পক্ষসমূহৰ মাজত বিভিন্ন লেনদেনৰ বাবে ধন পৰিশোধ কৰিবলৈ বাকী আছে। ১৯৫৪ চনৰ ১৮ ফেব্ৰুৱাৰী বা উক্ত

সময়চোৱাৰ ওচৰে পাজৰে পক্ষসমূহে শ্ৰীৰামৰিখদাস পৰশ্ৰমপুৰীয়াৰ মধ্যস্থতাত বিবাদসমূহ নিস্পত্তিৰ বাবে মধ্যস্থতাৰ চুক্তিত লিপ্ত হয়। চুক্তিখনত এই গোচৰ প্ৰত্যাহাৰ কৰাৰ ব্যৱস্থাও আছিল। চুক্তিখনৰ প্ৰতি লক্ষ্য ৰাখি যথাযথভাৱে গোচৰ প্ৰত্যাহাৰ কৰা হয়। পৰৱৰ্তী সময়ত শ্ৰী পৰশ্ৰমপুৰীয়াক অপসাৰণ কৰা হয় আৰু তেওঁৰ ঠাইত আন দুজন মধ্যস্থতাকাৰী নিযুক্তি দিয়া হয়। এই মধ্যস্থতাকাৰীসকলকো পৰৱৰ্তী সময়ত অপসাৰণ কৰা হয় আৰু তেওঁলোকৰ ঠাইত শ্ৰী এছ. ভি. গুপ্তেক মধ্যস্থতাকাৰী নিযুক্তি দিয়া হয়। সময়ে সময়ে আদালতে ক্ষতিপূৰণৰ আদেশ প্ৰদানৰ সময়সীমা একাধিকবাৰ বৃদ্ধি কৰিছিল, ১৯৫৮ চনৰ ২১ মাৰ্চলৈকে। সময় বৃদ্ধিৰ বাবে কৰা আৰু দুখন আবেদন আদালতে নাকচ কৰিছিল। ১৯৫৮ চনৰ ২৫ মাৰ্চৰ ভিতৰত শ্ৰী এছ. ভি. গুপ্তেই এই ক্ষতিপূৰণৰ আদেশ প্ৰদান কৰিবলৈ সক্ষম হোৱা নাছিল।

১৯৫৮ চনৰ ৩ এপ্ৰিলত আপীলকাৰীয়ে আদালতত আবেদন জনায় (ক)ভাৰতীয় মধ্যস্থতা আইন, ১৯৪০,-ৰ ধাৰা ২০ৰ অধীনত মধ্যস্থতাৰ চুক্তি দাখিল কৰাৰ বাবে (খ) শ্ৰী. গুপ্তেক ক্ষতিপূৰণৰ আদেশ দিবলৈ সময়সীমা বৃদ্ধিৰ বাবে, (গ) বিকল্পভাৱে, উল্লেখিত বিবাদসমূহ আন কোনো ব্যক্তিলৈ হস্তান্তৰ কৰাৰ বাবে, আৰু (ঘ) ১৯৫৪ চনৰ ১৮ ফেব্ৰুৱাৰীৰ পৰা ১৯৫৮ চনৰ ৩ এপ্ৰিললৈকে সময়খিনি বাদ দিয়াৰ বাবে আদেশ প্ৰদানৰ বাবে, যাতে যদিহে সীমাবদ্ধতা আছে, উক্ত সীমাবদ্ধতাৰ প্ৰতিবন্ধকতা আতৰাব পৰা যায়। শ্ৰীগুপ্তেক ক্ষতিপূৰণ্ৰ আদেশ প্ৰদান কৰিবলৈ সময়সীমা বৃদ্ধিৰ প্ৰাৰ্থনা ন্যায়াধীশ কে. কে. দেশাই, আৰু আপীল আদালতেও নাকচ কৰিছিল আৰু সেই প্ৰাৰ্থনা বৰ্তমান আপীলকাৰীয়ে বৰ্তাই ৰখা নাই। দুয়োখন আদালতে আপীলকাৰীয়ে ধাৰা ২০ৰ অধীনত মধ্যস্থতাকাৰী চুক্তিৰ বাবে কৰা আবেদন নাকচ কৰিহিল আৰু ন্যায়াধীশ কে. কে. দেশায়ে মত পোষণ কৰিছিল যে ধাৰা ২০ প্ৰযোজ্য হ'বলৈ হ'লে

আবেদনকাৰীয়ে প্ৰমাণ কৰিব লাগিব যে মধ্যস্থতাৰ চুক্তিৰ বিষয়বস্তু ইতিমধ্যে ৰুজু হোৱা কোনো গোচৰৰ বিষয়বস্তু নাছিল। আপীল বিচাৰপীঠে মত পোষণ কৰিছিল যে যিহেতু মধ্যস্থতাৰ চুক্তিখন গোচৰ তৰাৰ পাচঁ বছৰৰ পিছত সম্পন্ন হৈছিল, গতিকে ইয়াক ধাৰা ২০(১)ৰ অধীনত প্ৰযোজ্য যিকোনো গোচৰ তৰাৰ আগতে কৰা চুক্তি বুলি গণ্য কৰিব নোৱাৰি। আপীলকাৰীয়ে বৰ্ত্তমান বিশেষ অনুমতিত এই আদালতত আপীল কৰিছে।

বিপৰীত পক্ষই যুক্তি আগবঢ়ায় যে ২০ নং ধাৰাৰ আৰম্ভণিৰ শব্দই ১৯৫৪ চনৰ ১৮ ফেব্ৰুৱাৰীৰ মধ্যস্থতাৰ চুক্তিখন দাখিল কৰাত বাধা দিয়ে, কিয়নো চুক্তিখনৰ বিষয়বস্তুৰ সন্দৰ্ভত ইতিমধ্যে গোচৰ দাখিল কৰাৰ পিছত এই চুক্তি কৰা হৈছিল। আপীলকাৰীয়ে যুক্তি আগবঢ়ায় কয় যে (১) ধাৰা ২০ য়ে, এনে গোচৰ বিচাৰাধীন হৈ থকাৰ সময়ত কৰা মধ্যস্থতাৰ চুক্তি দাখিল কৰাৰ অনুমতি দিয়ে, যদিহে পক্ষই আবেদন দাখিলৰ কৰাৰ সময়ত গোচৰটো বিচাৰাধীন নহয়; বিকল্পভাৱে, (২) ধাৰা ২০ য়ে, যেতিয়া কোনো গোচৰ বিচাৰাধীন নাছিল তেতিয়া মধ্যস্থতাকাৰী চুক্তিখন দাখিল কৰাৰ অনুমতি দিয়ে, যদিও একেটা বিষয়ৰ সৈতে জড়িত গোচৰ পূৰ্বে দাখিল কৰা হৈছিল আৰু (৩) ১৯৫৪ চনৰ ১৮ ফেব্ৰুৱাৰীৰ মধ্যস্থতাৰ চুক্তিখন, গোচৰটো প্ৰত্যাহাৰ কৰাৰ ভিত্তিত কাৰ্যকৰী কৰাৰ উদ্দেশ্যৰে কৰা হৈছিল আৰু সেয়েহে এই চুক্তিখন গোচৰ বিচাৰাধীন নোহোৱাৰ সময়ত কৰা হৈছিল আৰু ইয়াক সঠিকভাৱে ধাৰা ২০ৰ অধীনত দাখিল কৰা হৈছিল।

ধাৰা ২০ ৰ উপ-ধাৰা (১):

"য'ত কোনো ব্যক্তিয়ে চুক্তিখনৰ বিষয়বস্তু বা ইয়াৰ কোনো অংশৰ সন্দৰ্ভত কোনো গোচৰ ৰুজু হোৱাৰ আগতে মধ্যস্থতাৰ চুক্তিত স্বাক্ষৰ কৰিছে, আৰু য'ত চুক্তিখন প্ৰযোজ্য হোৱাৰ ক্ষেত্ৰত কোনো মত-পাৰ্থক্যৰ

সৃষ্টি হৈছে, তেওঁলোকে বা তেওঁলোকৰ যিকোনো এজনে, দ্বিতীয় অধ্যায়ৰ অধীনত আগবাঢ়ি যোৱাৰ পৰিৱৰ্তে, চুক্তিখনত জড়িত বিষয়টোৰ ক্ষেত্ৰাধিকাৰ থকা আদালতত আবেদন কৰিব পাৰে চুক্তিখন আদালতত দাখিল কৰিবলৈ।"

বিবাদটো "চুক্তিখনৰ বিষয়বস্তু বা ইয়াৰ যিকোনো অংশৰ সন্দৰ্ভত কোনো গোচৰ আৰম্ভ কৰাৰ আগতে" শব্দাৱলীক দিবলগীয়া সঠিক অৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। এই শব্দাৱলীৰ চাৰিটা বিকল্প ব্যাখ্যা আগবঢ়োৱা হৈছে: (১) "আগতে" শব্দাৱলীয়ে সময়ৰ বিন্দুক অগ্ৰাধিকাৰৰ ইংগিত দিয়ে; ধাৰাটোৱে ইয়াৰ বিষয়বস্তুৰ সন্দৰ্ভত মধ্যস্থতাকাৰী চুক্তিৰ পিছত গোচৰ তৰাৰ কথা চিন্তা কৰে আৰু যদি এনে কোনো গোচৰ নাথাকে, তেন্তে ধাৰাটো প্ৰযোজ্য নহয়; (২) "কোনো গোচৰ ৰুজু হোৱাৰ আগতে" শব্দাৱলীৰ অৰ্থ হ'ল "য'ত কোনো গোচৰ দাখিল কৰা হোৱা নাই"; ধাৰাটোৱে গোচৰ ৰুজু হোৱাৰ পিছত কৰা মধ্যস্থতাৰ চুক্তি দাখিল কৰাত বাধা দিয়ে, যদিও চুক্তিখন কৰাৰ আগতে গোচৰটো প্ৰত্যাহাৰ কৰা হ’ব পাৰে; (৩) "যিকোনো গোচৰ ৰুজু হোৱাৰ আগতে" শব্দাৱলীৰ অৰ্থ হ'ল "যেতিয়া কোনো গোচৰ বিচাৰাধীন নহয়"; যদিও এটা বিষয়ৰ সৈতে জড়িত গোচৰ পূৰ্বে দাখিল কৰা হৈছিল, এই ধাৰাটোৱে গোচৰ চলি থকাৰ সময়ত কৰা মধ্যস্থতাকাৰী চুক্তি দাখিল কৰাৰ অনুমতি দিয়ে; আৰু (৪) "যিকোনো গোচৰ ৰুজু হোৱাৰ আগতে" আদি শব্দই "প্ৰযোজ্য হ'ব পাৰে" শব্দটোক যোগ্যতা দিয়ে; এই ধাৰাটোৱে সকলো মধ্যস্থতাৰ চুক্তি দাখিল কৰাৰ ব্যৱস্থা কৰে যদিহে কোনো গোচৰ বিচাৰাধীন হৈ থকা নাই।

আৰম্ভণিৰ শব্দাৱলীৰ উদ্দেশ্য হৈছে ধাৰা ২০-ৰ কাৰ্য্যকাৰিতাৰ পৰিসৰক কিছু সীমিত শ্ৰেণীৰ মধ্যস্থতাৰ চুক্তিলৈকে সীমাবদ্ধ কৰা। আৰম্ভণিৰ শব্দাৱলীয়ে এটাতকৈ অধিক অৰ্থ যে বহন কৰে সেয়া স্পষ্ট। দ্ব্যৰ্থবোধকতা বা অস্পষ্টতা

আঁতৰাবৰ বাবে, ধাৰাটোৰ অন্য অংশ, অধ্যায় ৩ৰ শিৰোনাম আৰু আইনখনৰ সাধাৰণ আঁচনি উল্লেখ কৰাটো উচিত।

১৯৪০ চনৰ মধ্যস্থতা আইনখনে তিনিটা শ্ৰেণীৰ মধ্যস্থতাৰ কথা বিবেচনা কৰে: (১) অধ্যায় ২-ৰ অধীনত আদালতৰ হস্তক্ষেপ অবিহনে কৰা মধ্যস্থতা; (২) অধ্যায় ৩-ৰ অধীনত, য'ত কোনো গোচৰ বিচাৰাধীন নাথাকে, তেনেক্ষেত্ৰত আদালতৰ হস্তক্ষেপৰ সৈতে কৰা মধ্যস্থতা; আৰু (৩) অধ্যায় ৪-ৰ অধীনত গোচৰত কৰা মধ্যস্থতা। বিচাৰ চলি থকাৰ সময়ত কৰা পক্ষসমূহৰ মাজত কৰা মধ্যস্থতা চুক্তিত যিকোনো বিবাদৰ উল্লেখৰ বাবে বিচাৰধীন গোচৰত কেৱল গোচৰ বিচাৰধীন হৈ থকা আদালতৰ পৰা আদেশ লাভ কৰিলেহে অধ্যায় ৪-ৰ অধীনত বলবৎ কৰিব পাৰি, অধ্যায় ২ আৰু ৩-ৰ অধীনত প্ৰক্ৰিয়া নচলে। কিন্তু ইয়াৰ বিষয়বস্তুৰ সন্দৰ্ভত কোনো গোচৰ বিচাৰাধীন হৈ নথকাৰ সময়ত কৰা মধ্যস্থতাৰ চুক্তি অধ্যায় ৪-ৰ অধীনত বলবৎ কৰিব নোৱাৰি, আৰু অধ্যায় ৪ বা আইনখনৰ সামগ্ৰিক আঁচনিত এনে কোনো কথা নাই যিয়ে অধ্যায় ২ আৰু ৩-ৰ অধীনত এনে চুক্তি বলবৎ কৰাত বাধা দিয়ে। চুক্তিখনৰ বিষয়বস্তুৰ সন্দৰ্ভত পৰৱৰ্তী গোচৰৰ প্ৰভাৱ বিবেচনা কৰা হয় আৰু অধ্যায়ৰ ৫ ৰ উপ-ধাৰা ৩৪ আৰু ৩৫ তাৰ বাবে নিৰ্দেশনা দিয়ে।

৩য় অধ্যায়ত দেখুওৱা হৈছে যে ধাৰা ২০-ৰ বিষয়-বস্তু হৈছে "কোনো গোচৰ বিচাৰাধীন নথকা অৱস্থাত আদালতৰ হস্তক্ষেপত হোৱা মধ্যস্থতা।" শিৰোনামটোৰ বহল পৰিসৰে বিষয়বস্তুৰ সন্দৰ্ভত কোনো গোচৰ বিচাৰাধীন নথকা সময়ত কৰা মধ্যস্থতা চুক্তিৰ অধীনত কৰা মধ্যস্থতাক সামৰি লয়।

ধাৰা ২০-ৰ "দ্বিতীয় অধ্যায়ৰ অধীনত আগবঢ়াৰ পৰিৱৰ্তে" শব্দাৱলীয়ে বুজায় যে, পক্ষসমূহে অধ্যায় ৩-ৰ অধীনত প্ৰক্ৰিয়া আগবঢ়াব পাৰে য'ত তেওঁলোকে অধ্যায় ২-ৰ অধীনত আগবাঢ়িব পাৰিছিল। অধ্যায় ২-ৰ সৈতে ধাৰা

২(ক)-ৰ অধ্যয়নে এইটো স্পষ্ট কৰে যে ইয়াৰ বিষয়বস্তুৰ সন্দৰ্ভত কোনো গোচৰ বিচাৰাধীন নথকাৰ সময়ত কৰা মধ্যস্থতা চুক্তি অধ্যায় ২-ৰ অধীনত বলবৎ কৰিব পাৰি। যিহেতু এনে চুক্তি অধ্যায় ২-ৰ অধীনত বলবৎ কৰিব পৰা যায়, আপাত দৃষ্টিত ইয়াক অধ্যায় ৩-ৰ অধীনতো বলবৎ কৰিব পৰা যায়।

ধাৰা ২০-ৰ আৰম্ভণিৰ শব্দাৱলী মতে মধ্যস্থতা চুক্তিৰ বিষয়বস্তুৰ সন্দৰ্ভত গোচৰ দাখিল কৰিবও পাৰে বা নকৰিবও পাৰে। ধাৰা ২০ প্ৰযোজ্য হবলৈ হলে, সেয়েহে এইটো জৰুৰী নহয় যে মধ্যস্থতাৰ চুক্তি সম্পাদনৰ পিছত ইয়াৰ বিষয়বস্তু সন্দৰ্ভত গোচৰ দাখিল কৰিব লাগিব। "আগতে" শব্দটো সময়ৰ ক্ৰমত কঠোৰ ব্যাকৰণগত অগ্ৰাধিকাৰৰ অৰ্থত ব্যৱহাৰ কৰা হোৱা নাই। ধাৰা ২০ ৰ আন অংশ তথা ইয়াৰ শিৰোনাম আৰু আইনখনৰ সাধাৰণ আঁচনিৰ ওপৰত ভিত্তি কৰি আমি ভাবো যে বিধান পালিকাই "কোনো গোচৰ ৰুজু হোৱাৰ আগতে" শব্দাৱলী "য'ত কোনো গোচৰ বিচাৰাধীন অৱস্থাত নাথাকে" অৰ্থত ব্যৱহাৰ কৰিছিল আৰু "য'ত কোনো গোচৰ ৰুজু কৰা হোৱা নাই" অৰ্থত ব্যৱহাৰ কৰা নাছিল। পূৰ্বৰ অৰ্থটোৰ বিধান পালিকাৰ প্ৰকৃত উদ্দেশ্যৰ লগত অধিক মিল আছে। যদিহে চুক্তিখন ইয়াৰ বিষয়বস্তু সন্দৰ্ভত কোনো গোচৰ বিচাৰাধীন নথকাৰ সময়ত কৰা হয়, তেন্তে ইয়াৰ বিষয়বস্তু পূৰ্বতে ৰুজু কৰা গোচৰৰ বিষয়বস্তু হোৱাটোৱে অধ্যায় ২ আৰু ৩ অধীনত ইয়াক বলবৎ কৰাত বাধা নিদিয়ে। আমি সেয়েহে ভাবো যে "চুক্তিৰ বিষয়বস্তু বা ইয়াৰ কোনো অংশৰ সন্দৰ্ভত কোনো গোচৰ ৰুজু হোৱাৰ আগতে" শব্দটোৰ অৰ্থ হৈছে "চুক্তিৰ বিষয়বস্তু বা ইয়াৰ কোনো অংশৰ সন্দৰ্ভত কোনো গোচৰ বিচাৰাধীন হৈ নথকাৰ সময়ত"। এই শব্দবোৰে পূৰ্বৰ শব্দাৱলী "এখন মধ্যস্থতাৰ চুক্তি"ক যোগ্যতা প্ৰদান কৰে আৰু তাৰ পৰৱৰ্তী শব্দাৱলী "প্ৰযোজ্য হ'ব পাৰে"ক নহয়। আন কথাত, ধাৰা নং ২০ মধ্যস্থতাৰ চুক্তিত প্ৰযোজ্য হব যদি ইয়াৰ বিষয়বস্তুৰ সন্দৰ্ভত কোনো গোচৰ বিচাৰাধীন

নাথাকে। যদি এনে গোচৰ চলি থকাৰ সময়ত মধ্যস্থতাৰ চুক্তি কাৰ্যকৰী কৰা হয়, তেন্তে ধাৰা ২০ৰ অধীনত আবেদন দ্বাৰা ইয়াক বলবৎ কৰিব নোৱাৰি, যদিও আবেদনখন গোচৰ চলি থকা অৱস্থাত কৰা নহয়।

আমাৰ সন্মুখত পক্ষসমূহৰ বিদ্বান অধিবক্তাই, ১৯০৮ চনৰ সংহিতাৰ ২য় সূচীৰ প্যাৰাগ্ৰাফ ১৭ৰ অধীনত সিদ্ধান্ত লোৱা তলৰ গোচৰসমূহ উল্লেখ কৰে, যিবোৰ হল যথাক্ৰমে *কোকিল সিং বনাম ৰামশ্ৰয় প্ৰসাদ চৌধুৰী*[১], *লাল চান্দ বনাম শ্ৰীৰাম*[২], *হীৰা ৰাম বনাম ৰাম দিত্ত*[৩] আৰু *দিনকাৰাই লক্ষ্মী-প্ৰসাদ বনাম যেশ্বন্তৰাই হৰিপ্ৰসাদ*[৪]। মন কৰিবলগীয়া যে ৩য় অধ্যায়ৰ শিৰোনাম "কোনো গোচৰ বিচাৰাধীন নথকা অৱস্থাত আদালতৰ হস্তক্ষেপত হোৱা মধ্যস্থতা” আৰু ধাৰা ২০-ৰ শব্দাৱলী "চুক্তিখনৰ বিষয়বস্তু বা ইয়াৰ যিকোনো অংশৰ সন্দৰ্ভত কোনো গোচৰ ৰুজু হোৱাৰ আগতে" আৰু "দ্বিতীয় অধ্যায়ৰ অধীনত আগবঢ়াৰ পৰিৱৰ্তে" এই শব্দাৱলীসমূহৰ দৰে শব্দাৱলী দেৱানী বিচাৰ সংহিতা ১৯০৮ ত বিচাৰি পোৱা নাযায়। তেনে পৰিস্থিতিত আমি ভাবো যে ১৯০৮ চনৰ দেৱানী বিচাৰ সংহিতাৰ ২য় সূচীৰ প্যাৰাগ্ৰাফ ১৭ অধীনত সিদ্ধান্ত লোৱা গোচৰসমূহ বৰ্তমানৰ আইনখনৰ ধাৰা ২০ৰ গঠনত নিৰ্ণায়ক নহয়, আৰু সেই ধাৰাটোক তাৰ নিজস্ব ভাষা আৰু বৰ্তমানৰ আইনখনৰ আঁচনিৰ পোহৰত ব্যাখ্যা কৰিব লাগিব।

এতিয়া, প্ৰশ্নটো হল ১৯৫৪ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখৰ চুক্তিখনৰ ওপৰত ধাৰা ২০ প্ৰযোজ্য হয়নে? চুক্তিখনৰ প্ৰাসংগিক কাৰ্য্যকৰী অংশত লিখা আছে:

> “বম্বে উচ্চ ন্যায়ালয়ত ১৯৪৯ চনৰ ১৭১২ নং গোচৰত (ৰামভল্লভ তিব্ৰেৱালা বনাম মেছাৰ্ছ দ্বাৰকাদাস এণ্ড কোম্পানী) বিবাদৰ সকলো বিষয়কে ধৰি প্ৰতিবাদীসকলৰ লিখিত বিবৃতিত অনুৰোধ কৰা অনুসৰি

খতিয়ানবোৰ বনোৱা হৈছিল আৰু মিলাই দিয়া হৈছিল আৰু/বা পক্ষসমূহৰ মাজত নিষ্পত্তি কৰা হৈছিল নেকি সেই প্ৰশ্নটোকে ধৰি আৰু গোচৰৰ খৰচ ৰামৰিখদাস পৰশ্ৰামপুৰীয়াৰ একমাত্ৰ মধ্যস্থতাকাৰীলৈ প্ৰেৰণ কৰা হ'ব।... পক্ষসমূহৰ উদ্দেশ্য হৈছে যে তেওঁলোকৰ মাজত থকা বিবাদ মধ্যস্থতাৰ জৰিয়তে মীমাংসা কৰা হ'ব আৰু গোচৰটো সন্মতি সাপেক্ষে উঠাই ল'ব।"

১৯৫৪ চনৰ ১৮ ফেব্ৰুৱাৰীত চুক্তিখনত স্বাক্ষৰ কৰিছিল, যেতিয়া গোচৰটো বিচাৰাধীন আছিল। আমাৰ সন্মুখত দুয়ো পক্ষৰ বিদ্বান অধিবক্তাই স্বীকাৰ কৰিছিল যে বিচাৰধীন গোচৰটো সেই তাৰিখেই বা প্ৰায় একে তাৰিখতে প্ৰত্যাহাৰ কৰা হৈছিল। পক্ষসমূহে স্পষ্টতঃ বিচাৰিছিল যে গোচৰ তৎক্ষণাত প্ৰত্যাহাৰ কৰা হ'ব যাতে বিবাদসমূহ গোচৰৰ আশ্ৰয় নোলোৱাকৈ মধ্যস্থতাৰ দ্বাৰা সমাধান কৰিব পৰা যায়। এইদৰে মধ্যস্থতা চুক্তিখনৰ ফলপ্ৰসূতা তেতিয়াই অস্তিত্বলৈ আহিছিল যেতিয়া গোচৰটো প্ৰত্যাহাৰ কৰা হৈছিল আৰু সেয়েহে সঠিকভাৱে ক'ব পাৰি যে ইয়াৰ বিষয়বস্তুৰ সন্দৰ্ভত কোনো গোচৰ বিচাৰাধীন নথকাৰ সময়ত কৰা হৈছিল। গতিকে চুক্তিখন ধাৰা ২০ৰ অধীনত দাখিল কৰিব পাৰিব।

তলৰ আদালতসমূহে যি ভিত্তিত ধাৰা ২০ ৰ অধীনত মধ্যস্থতা চুক্তি দাখিল কৰাৰ বাবে কৰা আবেদন খাৰিজ কৰিছিল, সেই ভিত্তিক সেয়েহে সমৰ্থন কৰিব নোৱাৰি। উচ্চ ন্যায়ালয়ৰ নিয়মৰ ৩৯১ নং নিয়মৰ ভিত্তিত আবেদনৰ আৰ্হি সন্দৰ্ভত কাৰিকৰী আপত্তিক এতিয়া গুৰুত্ব দিয়া হোৱা নাই। কিন্তু বিপৰীত পক্ষই এইটোও কয় যে (১) আপীলকাৰীয়ে অধ্যায় ২-ৰ অধীনত মধ্যস্থতাৰ বাবে আগবাঢ়িবলৈ বাছি লৈছিল, আৰু তেনেকৈ বাছি লোৱাৰ পিছত, এতিয়া তেওঁলোকে অধ্যায় ৩-ৰ অধীনত মধ্যস্থতাৰ বাবে দাবী কৰিব নোৱাৰে; (২)

আবেদনখন নিষিদ্ধতা (limitation)ৰ দ্বাৰা প্ৰতিবন্ধিত হৈছে, আৰু ধাৰা ৩৭-ৰ অধীনত সময়সীমা ৰেহাইৰ বাবে অনুমতি দিয়া উচিত নহয়; আৰু (৩) পক্ষসমূহে বিচাৰিছিল যে মধ্যস্থতা কেৱল ৰামৰিখদাস পৰশ্ৰমপুৰীয়াৰ দ্বাৰাহে হওক, আৰু যিহেতু তেওঁ কাম কৰিবলৈ ইচ্ছুক নহয় আৰু/বা তেওঁক অপসাৰণ কৰা হৈছে, সেয়েহে আৰু কোনো মধ্যস্থতা হ'ব নোৱাৰে। তলৰ আদালতসমূহে প্ৰতিবাদীৰ এই বিতৰ্কসমূহক বিবেচনা কৰা নাই। দুয়োপক্ষৰ বিদ্বান অধিবক্তাৰ শুনানী গ্ৰহণ কৰি আমি এই মত পোষণ কৰোঁ যে নিম্ন আপীল আদালতে এই কথাবোৰ বিবেচনা কৰাৰ পিছত, বিপৰীত পক্ষ আবেদনখনৰ চূড়ান্ত নিষ্পত্তি বিচৰাৰ বাবে অধিকাৰী, আৰু সেই উদ্দেশ্যে এই গোচৰটো নিম্ন আদালতলৈ প্ৰেৰণৰ বাবে ৰখা উচিত।

ফলত আপীলৰ অনুমতি দিয়া হয়, ১৯৬০ চনৰ ৫৮ নং আপীলত বম্বে উচ্চ ন্যায়ালয়ৰ ১৯৬৪ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখৰ ৰায় আৰু হুকুম বাতিল কৰা হয় আৰু পূৰ্বতে উল্লেখ কৰা ১৯৬০ চনৰ ৫৮ নং আপীলটো তলৰ আদালতলৈ আইন অনুসৰি নিস্পত্তি কৰিবলৈ প্ৰেৰণ কৰা হয়। বিপৰীত পক্ষই আপীলকাৰীক এই আবেদনৰ বাবে খৰচ দিব লাগিব।

আপীলৰ অনুমতি দিয়া হল।

---

অনুবাদ: শ্ৰী খগেন্দ্ৰ কলিতা

সত্যাপন: শ্ৰী পাৰ্থ প্ৰতিম গোস্বামী,

মুখ্য অনুবাদক গৌহাটি উচ্চ ন্যায়ালয়

**Disclaimer:**

*The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*“স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব। ”*